**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000
Date : 28-02-2026

**Time :** 1845 Hrs.

***Assamese Evening Bulletin***
**HEADLINE**

ooooo

১।  ৰাজ্য চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ ৰাষ্ট্ৰীয় আৰু ৰাজ্যিক পৰ্যায়ৰ বঁটা প্ৰদান।

২।  দেশৰ লগতে ৰাজ্যৰ বিভিন্ন প্ৰান্তত ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস উদযাপন।

৩।  ৬ আৰু ১৩ মাৰ্চত অভি-নীল হত্যাকাণ্ড গোচৰৰ অন্তিম শুনানীৰ দিন ধাৰ্য্য।

৪।  ৰাজ্যজুৰি দৌল উৎসৱৰ ব্যাপক প্ৰস্তুতি।  ***আৰু***

৫।  আই চি চি টি টুৱেণ্টি বিশ্বকাপৰ খন্তেক পাছতে পাল্লেকালত অনুষ্ঠিত চুপাৰ এইটৰ এখন খেলত শ্ৰীলংকা আৰু পাকিস্তান মুখামুখি।

ooooo

ৰাজ্য চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ অধীনত আজি ৰাষ্ট্ৰীয় আৰু ৰাজ্যিক পৰ্যায়ৰ বঁটাসমূহ প্ৰদান কৰা হয়। গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ শ্ৰীশ্ৰী দামোদৰদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত আয়োজিত এই বঁটা প্ৰদান অনুষ্ঠানত সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী বিমল বৰা মুখ্য অতিথি হিচাপে উপস্থিত থাকে। এই অনুষ্ঠানত ২০২৫ বৰ্ষৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ ৰাষ্ট্ৰীয় সংহতি বঁটা ড° অমলেন্দু চক্ৰৱৰ্তীক আৰু কৃষ্ণকান্ত সন্দিকৈ ৰাষ্ট্ৰীয় বঁটা মনেশ্বৰ দেউৰীলৈ আগবঢ়োৱা হয়। একেদৰে ৰাজ্যিক বঁটা শিতানত ২০২৬ বৰ্ষৰ শিল্পী বঁটা লোকগীতৰ শিল্পী ধনদা পাঠক আৰু মৰণোত্তৰভাৱে শিল্পী সমৰ হাজৰিকাক প্ৰদান কৰা হয়। ২০২৫ বৰ্ষৰ নটসূৰ্য ফণী শৰ্মা বঁটা কৰুণা ডেকালৈ, ড° ভৱেন্দ্ৰনাথ শইকীয়া বঁটা অৰূপ মান্নালৈ আৰু বিজু ফুকন বঁটা অৰণীৰঞ্জন পাঠকলৈ আগবঢ়োৱা হয়। অনুষ্ঠানত দিয়া ভাষণত সাংস্কৃতিক পৰিক্ৰমা মন্ত্ৰী শ্ৰীবৰাই শিল্পী-সাহিত্যিকসকলে যুগে যুগে সমাজক বাট দেখুৱাই আহিছে বুলি উল্লেখ কৰে। শিল্পীসকলে নিজৰ চিন্তন আৰু মননৰ জৰিয়তে সৃষ্টিৰাজিক বিশ্ব সভালৈ লৈ যায় বুলি তেওঁ মন্তব্য কৰে। মন্ত্ৰীগৰাকীয়ে সাংবাদিকৰ আগত এইদৰে কয়-

-বাইট-

অনুষ্ঠানত সাংসদ বিজুলী কলিতা মেধি আৰু অন্যান্য বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকে।

ooooo

সমগ্ৰ দেশত আজি ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস পালন কৰা হৈছে। বিশিষ্ট পদাৰ্থবিজ্ঞানী ছাৰ চি ভি ৰমনৰ দ্বাৰা ৰমন প্ৰভাৱ বা ৰমন বিক্ষেপনৰ আৱিস্কাৰৰ সৈতে সংগতি ৰাখি প্ৰতি বছৰে ২৮ ফেব্ৰুৱাৰীত এই দিৱস পালন

কৰা হয়। চি ভি ৰমনে এই আৱিষ্কাৰৰ বাবে ১৯৩০ চনত ন'বেল বঁটা লাভ কৰিছিল। ৰাষ্ট্ৰীয় বিজ্ঞান দিৱসৰ লগত সংগতি ৰাখি দেশৰ বিভিন্ন প্ৰান্তত ভিন ভিন বিষয় সন্দৰ্ভত বিজ্ঞান যোগাযোগৰ কাৰ্যসূচী গ্ৰহণ কৰা হৈছে।

বিজ্ঞান দিৱস উপলক্ষে কেন্দ্ৰীয় বিজ্ঞান আৰু প্ৰযুক্তি মন্ত্ৰালয়ে নতুন দিল্লীৰ বিজ্ঞান ভৱনত ৰাষ্ট্ৰীয় পৰ্যায়ৰ সমাৰোহৰ আয়োজন কৰিছে। এইবেলি বিজ্ঞান দিৱসৰ মূল বিষয়বস্তু হৈছে – 'বিজ্ঞান ক্ষেত্ৰত মহিলাঃ বিকশিত ভাৰতৰ অনুঘটক। বৈজ্ঞানিক প্ৰগতিৰ দিশৰ পৰা ভাৰতবৰ্ষক এখন উন্নত ৰাষ্ট্ৰ হিচাপে গঢ়ি তোলাৰ দৃষ্টিভংগী অনুযায়ী মহিলা গৱেষক আৰু উদ্ভাৱনকাৰীসকলৰ ভূমিকাক স্বীকৃতি প্ৰদানৰ উদ্দেশ্যে এই বিষয়বস্তু বাছনি কৰা হৈছে।

ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস উপলক্ষে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে সমগ্ৰ দেশৰ বিজ্ঞানী আৰু গৱেষকসকলক ওলগ জনাইছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত দেশৰ উন্নয়ন আৰু বিশ্বৰ হিতৰ বাবে যুৱ প্ৰজন্মৰ সৱলীকৰণ, গৱেষণা অনুকুল ব্যৱস্থাৰ সুদৃঢ়কৰণ আৰু বিজ্ঞান-প্ৰযুক্তিৰ ব্যৱহাৰৰ সংকল্প দোহাৰে। শ্ৰী মোদীয়ে কয়, যে জনসাধাৰণে গৱেষণা, উদ্ভাৱন আৰু বৈজ্ঞানিক কৌতুহলৰ উৎসৱ হিচাপে এই দিৱস পালন কৰে আৰু এনে ধৰণৰ ভাৱনাই দেশক আগুৱাই নিয়ে। তেওঁ কয়, যে এই দিৱসে ৰমন প্ৰভাৱৰ অভূতপূৰ্ব আৱিষ্কাৰ কৰাৰ কথা সোঁৱৰাই দিয়ে আৰু ভাৰতীয় গৱেষণাক গোলকীয় প্ৰেক্ষাপটত উজ্বলাই তোলে।

ৰাজ্যৰ বিভিন্ন প্ৰান্তত আজি ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস পালন কৰা হয়। বৰাক উপত্যকাৰ জিলাকেইখনতো এই দিৱসৰ কাৰ্য্যসূচী অনুষ্ঠিত হয়। বৰাক উপত্যকা, বংগ সাহিত্য আৰু সংস্কৃতি সন্মিলনৰ কাছাৰ জিলা সমিতিৰ উদ্যোগত আজি ৰূপায়ণ কৰা দিৱসৰ কাৰ্য্যসূচীত ত্ৰিপুৰাৰ মহাৰাজা বীৰ বিক্ৰম মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক সাহিত্যিক পূৰ্ণেন্দু কান্তি দাসে মূল বক্তা হিচাপে অংশ লয়। মাজুলী জিলাতো আজি ৰাষ্ট্ৰীয় বিজ্ঞান দিৱসৰ কাৰ্য্যসূচী অনুষ্ঠিত হয়। জিলাখনৰ কমলাবাৰীত অসম বিজ্ঞান সমিতিৰ মাজুলী শাখাৰ উদ্যোগত আয়োজিত দিৱসৰ কাৰ্য্যসূচীত বিকশিত ভাৰত গঢ়াত মহিলা বিজ্ঞানীৰ ভূমিকা সন্দৰ্ভত বিশদভাৱে আলোচনা কৰা হয়। এই সন্দৰ্ভত অসম বিজ্ঞান সমিতি মাজুলী শাখাৰ সভাপতি তিলক চন্দ্ৰ শৰ্মাই এইদৰে কয়-

-বাইট-

যোৰহাট বিজ্ঞান কেন্দ্ৰ আৰু তাৰকা গৃহতো আজি ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস পালন কৰা হয়। এই উপলক্ষে আয়োজিত কাৰ্য্যসূচীত বিভিন্ন শিক্ষানুষ্ঠানৰ ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে।

০০০০০

সমাগত অসম বিধানসভা নিৰ্বাচনৰ দিন আনুষ্ঠানিকভাৱে ঘোষণা নকৰিলেও বিজেপি আৰু কংগ্ৰেছৰ লগতে আন ৰাজনৈতিক দলসমূহে ব্যাপক প্ৰচাৰ অভিযান চলাইছে। ভাৰতীয় জনতা পাৰ্টী, অসম প্ৰদেশে আজিৰে পৰা জন আশীৰ্বাদ যাত্ৰা অনুষ্ঠিত কৰিছে। আজি শোণিতপুৰ জিলাৰ ঢেকিয়াজুলি, বৰচলা, তেজপুৰ, নদুৱাৰ আৰু ৰঙাপৰাত অনুষ্ঠিত জন আশীৰ্বাদ যাত্ৰাত বিজেপিৰ শীৰ্ষ নেতা লগতে সমৰ্থসসকলে অংশগ্ৰহণ কৰে। মুখ্যমন্ত্ৰী ড০ হিমন্ত্ বিশ্ব শৰ্মা, ৰাজ্যিক বিজেপিৰ সভাপতি দিলীপ শইকীয়া, মন্ত্ৰী অশোক সিংহলেও এই যাত্ৰাত অংশ লয়। ইফালে শিৱসাগৰ জিলাৰ ডিমৌত অসম প্ৰদেশ কংগ্ৰেছে পৰিৱৰ্তন যাত্ৰা অনুষ্ঠিত কৰে। ডিমৌৰ পৰা গড়গাঁৱলৈ প্ৰায় ২০ কিলোমিটাৰ এই যাত্ৰাত অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ সভাপতি তথা সাংসদ

গৌৰৱ গগৈ, জ্যেষ্ঠ নেতা  প্ৰদ্যুৎ বৰদলৈ, দেবব্ৰত শইকীয়াৰ লগতে সহস্ৰাধিক দলীয় সমৰ্থকে অংশগ্ৰহণ কৰে।

০০০০০

কাৰ্বি আংলং জিলাৰ ডকমকাত ২০১৮ চনত সংঘটিত অভি-নীল হত্যাকাণ্ডৰ গোচৰৰ অন্তিম শুনানীৰ দিন ৬ আৰু ১৩ মাৰ্চ ধাৰ্য্য কৰা হৈছে। ৬ মাৰ্চত শুনানী গ্ৰহণ কৰা হ'ব আৰু ১৩ মাৰ্চত গোচৰটোৰ ৰায়দান কৰা হ'ব। অভিজিৎ আৰু নীলোৎপল নামৰ ভুক্তভোগী যুৱক দুজনৰ পৰিয়ালে এই গোচৰৰ ৰায়দানক লৈ গভীৰ আশাবাদী বুলি প্ৰকাশ কৰিছে।

০০০০০

ৰাজ্যৰ আন প্ৰান্তৰ লগতে মাজুলী, বৰপেটা সত্ৰ আৰু উত্তৰ গুৱাহাটীৰ দৌলগোবিন্দ মন্দিৰত দৌল উৎসৱৰ ব্যাপক প্ৰস্তুতি চলিছে। মাজুলীৰ নগাওঁ, গোসাইবাৰীৰ ঐতিহাসিক শ্ৰীশ্ৰীফাকুৱা দৌলত ৩ দিনীয়া কাৰ্যসূচীৰে এই উৎসৱ অনুষ্ঠিত হ'ব। উৎসৱৰ লগতে সংগতি ৰাখি পানীতোলা, গোসাই কীৰ্তন, আধ্যাত্মিক সন্মিলন, দিহা নাম, ফাকুৱা নাম, দৌল যাত্ৰা আদি বিভিন্ন কাৰ্যসূচী অনুষ্ঠিত হ'ব। অন্তিম দিনা সন্ধিয়া শিশু শিল্পীসকলে ভাওনা পৰিবেশন কৰিব।

বৰপেটা সত্ৰত ৫ দিনীয়া কাৰ্যসূচীৰে দৌল উৎসৱ অনুষ্ঠিত হব। এই সন্দৰ্ভত বৰপেটা সত্ৰৰ বুঢ়া সত্ৰীয়া ড০ বাবুল চন্দ্ৰ দাসে এইদৰে কয়ঃ

বাইট

কোচবিহাৰৰ মধুপুৰ সত্ৰতো পৰহিলৈৰ পৰা ৪ মাৰ্চলৈ বৰ্ণাঢ্য কাৰ্যসূচীৰে দৌল উৎসৱৰ আয়োজন কৰা হ'ব। আয়োজক সমিতিয়ে জনোৱা অনুসৰি পৰহিলৈ সত্ৰত গোন্ধ পৰ্ব অনুষ্ঠিত হ'ব। ৩ মাৰ্চত গোসাইক দৌলত প্ৰতিষ্ঠা কৰাৰ লগতে গোটেই দিনজুৰি ভাগৱত  আৰু নামঘোষা পাঠ কৰা হ'ব। ৪ মাৰ্চৰ দিনা গোসাইক লৈ সমগ্ৰ মধুপুৰ অঞ্চল পৰিভ্ৰমণ কৰাৰ লগতে সেইদিনা সুৱেৰী পালন কৰা হ'ব বুলি উত্তৰ বংগ সত্ৰ আৰু নামঘৰসমূহৰ সমন্বয়ৰক্ষী সমিতিৰ তৰফৰ পৰা আমাৰ সংবাদদাতাক জানিবলৈ দিয়ে।

০০০০০

কেন্দ্ৰীয় চৰকাৰৰ ক্ৰীড়া আৰু যুৱ কল্যাণ মন্ত্ৰালয়ৰ উদ্যোগত আৰু ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ সহযোগত আজি ধেমাজি বাণিজ্য মহাবিদ্যালয়ৰ এন এছ এছ গোটৰ উদ্যোগত এখন যুৱ সংসদ অনুষ্ঠিত হয়। ভাৰতৰ জৰুৰীকালীন অৱস্থাৰ ৫০ বছৰ, ভাৰতীয় গণতন্ত্ৰৰ বাবে শিক্ষা শীৰ্ষক বিষয়ত অনুষ্ঠিত এই যুৱ সংসদত জিলাখনৰ ১৮ৰ পৰা ২৫ বছৰ বয়সৰ ৪০ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অধ্যাপক তথা এন এছ এছৰ আঁচনি বিষয়া ড০ ডেভিদ কাৰ্ডঙে অধ্যক্ষ হিচাপে অংশ লোৱা যুৱ সংসদত অংশগ্ৰহণকাৰীসকলে গণতান্ত্ৰিক প্ৰমূল্য, নীতি-নিৰ্ধাৰণ, সততা, সজাগতাকে ধৰি কেইবাটাও বিষয়ৰ ওপৰত আলোকপাত কৰে। তেওঁলোকে বিকশিত ভাৰতৰ সপোন বাস্তৱায়িত কৰাৰ দৃষ্টিভংগীৰে নৱ-প্ৰজন্মৰ অংশীদাৰিত্বৰ ওপৰতো গুৰুত্ব আৰোপ কৰে।

০০০০০

গুৱাহাটী-উত্তৰ গুৱাহাটী সংযোগী কুমাৰ ভাস্কৰ বৰ্মা দলঙেৰে অহা ৮ মাৰ্চৰ পৰা যান-বাহন চলাচল কৰিব। কামৰূপ জিলাৰ আয়ুক্ত দেৱ কুমাৰ মিশ্ৰই আজি এই কথা ঘোষণা কৰে। উল্লেখযোগ্য যে, প্ৰধানমন্ত্ৰী

নৰেন্দ্ৰ মোদীয়ে ১৪ ফেব্ৰুৱাৰীত উদ্বোধন কৰাৰ পাছৰে পৰা দলংখন অকল পথচাৰীৰ বাবেহে মুকলি আছিল। ৮ মাৰ্চৰ পৰা দলংখনেৰে যান-বাহনৰ চলাচল কৰিব যদিও ব্যৱসায়িক বাহনৰ চলাচল নিষিদ্ধ থাকিব।

০০০০০

কামৰূপ জিলা স্বাস্থ্য সমিতিৰ উদ্যোগত আজি জিলা আয়ুক্তৰ কাৰ্য্যালয়ৰ খেলপথাৰত আশা অভিৱৰ্তন-২০২৫-২৬ অনুষ্ঠিত হয়। অভিৱৰ্তনত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে জিলাখনৰ আশা ছুপাৰভাইজাৰসকলৰ মাজত মোবাইল ফোন বিতৰণ কাৰ্য্যসূচীৰ শুভাৰম্ভ কৰে। মন্ত্ৰীগৰাকীয়ে কামৰূপ জিলাত আশা কৰ্মীসকলে আশানুৰূপভাৱে কাম কৰিছে বুলি উল্লেখ কৰে। জিলাখনত প্ৰসূতি মাতৃ আৰু শিশুৰ মৃত্যুৰ হাৰ হ্ৰাস পাইছে বুলিও শ্ৰীপাটোৱাৰীয়ে প্ৰকাশ কৰে।

-বাইট-

অভিৱৰ্তনত কামৰূপ জিলাৰ মুঠ এহেজাৰ ৭৬৪ গৰাকী আশা কৰ্মী আৰু ১৪৮ গৰাকী ছুপাৰভাইজাৰে অংশগ্ৰহণ কৰে। জিলা আয়ুক্ত দেৱ কুমাৰ মিশ্ৰ, জিলা যুটীয়া স্বাস্থ্য সঞ্চালক ডাঃ অজিত দাস আৰু অতিৰিক্ত আয়ুক্ত বিক্ৰম চেত্ৰীয়ে সন্মিলনত ভাগ লয়।

০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগৰ উপ-সঞ্চালক তথা বাতৰি বিভাগৰ মুৰব্‌বী ৰাজীৱ লোচন বৰঠাকুৰে আজি তেওঁৰ কৰ্ম জীৱনৰ সামৰণি মাৰিব। ৩৩ বছৰৰো অধিক কালৰ সুদীৰ্ঘ চাকৰি জীৱনত ভাৰতীয় তথ্য সেৱাৰ বিষয়া হিচাপে তেওঁ আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ লগতে ক'লকাতা, গুৱাহাটী আৰু ইম্ফল দূৰদৰ্শন কেন্দ্ৰ আৰু কেন্দ্ৰীয় চলচ্চিত্ৰ প্ৰমাণন পৰিষদৰ গুৱাহাটী কাৰ্যালয়ৰ আঞ্চলিক বিষয়াৰূপে কাৰ্য্যনিৰ্বাহ কৰিছিল।

বিদায়ী উপ-সঞ্চালক ৰাজীৱ লোচন বৰঠাকুৰৰ বৰ্ণময় জীৱন পৰিক্ৰমাৰ বিষয়ে আজি নিশা ৮ বাজি দুই মিনিটৰ দৃষ্টিপাত অনুষ্ঠানত শ্ৰোতাসকলে তেওঁৰ মুখৰ পৰাই শুনিবলৈ পাব। আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ অনুষ্ঠান কাৰ্যবাহী ঋতুপৰ্ণ দাস আৰু জ্যেষ্ঠ বাতৰি পৰিৱেশিকা অৰুণিমা গোস্বামীয়ে আঁত ধৰিবলগীয়া এই আলাপত কেইবাগৰাকীও সংবাদকৰ্মী আৰু টেলিফোন আৰু ফে'চবুকযোগে সংযুক্ত হোৱা শ্ৰোতাই অংশগ্ৰহণ কৰিব। এই অনুষ্ঠান মহাবাহু শাখাৰ লগতে বাতৰি বিভাগৰ ইউটিউব চেনেলযোগে পোনপটীয়াকৈ প্ৰচাৰিত হ'ব। এই অনুষ্ঠান আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ ফে'চবুক পেজত ভিডিঅ' ৰূপতো প্ৰচাৰিত হ'ব।

০০০০০

নলবাৰীৰ চৰকাৰী গৰ্ডন উচ্চতৰ মাধ্যমিক বিদ্যালয় চৌহদত আজি মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ এটি আৱক্ষ মুৰ্তি মুকলি কৰা হয়। কেবিনেট মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই মহাপুৰুষজনৰ আৱক্ষ মুৰ্তিটো আনুষ্ঠানিকভাৱে উন্মোচন কৰে। কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ দ্বাৰা অংকিত শ্ৰীমন্ত শংকৰদেৱৰ কল্পিত চিত্ৰৰ আধাৰত মূৰ্তিটো নিৰ্মাণ কৰা হৈছে। এই অনুষ্ঠানতে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ পথৰ নামকৰণ, এহেজাৰ আসন বিশিষ্ট মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ প্ৰেক্ষাগৃহৰ নামকৰণ আৰু গৰ্ডন উচ্চতৰ মাধ্যমিক বিদ্যালয় খেল পথাৰত হ'বলগীয়া অত্যাধুনিক ক্ৰীড়া প্ৰকল্পৰ নিৰ্মাণকাৰ্যৰ শুভাৰম্ভ কৰা হয়।

০০০০০

ধেমাজি জিলাৰ গোগামুখৰ দিৰপাইত থকা ভাৰতীয় কৃষি গৱেষণা প্ৰতিষ্ঠান চৌহদত আজি বহনক্ষম জীৱিকাৰ বাবে জৈৱিক আৰু প্ৰাকৃতিক কৃষি শীৰ্ষক এখন কিষাণ মেলা অনুষ্ঠিত হয়। এই কিষাণ মেলাত ৰাজ্য

চৰকাৰৰ কেবিনেট মন্ত্ৰী ডাঃ ৰণোজ পেগুৰ লগতে মধ্য প্ৰদেশৰ মন্ত্ৰী নৰেন্দ্ৰ শিৱাজী পেটেল, ভাৰতীয় কৃষি গৱেষণা প্ৰতিষ্ঠানৰ সঞ্চালক শ্ৰীনিৱাস ৰাওৰ লগতে কেইবাজনো বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে। বিভিন্ন অঞ্চলৰ এহেজাৰৰো অধিক পঞ্জীয়নভুক্ত কৃষকে অংশগ্ৰহণ কৰা এই কিষাণ মেলাত  কৃষি উদ্ভাৱনী জৈৱিক পদ্ধতি, আধুনিক সজুলি প্ৰদৰ্শন আৰু বহনক্ষম কৃষি কৌশল প্ৰদৰ্শন কৰা হয়। কাৰ্যসূচীত বিজ্ঞানী আৰু কৃষকৰ মাজত সুস্থ কৃষি পদ্ধতিৰ প্ৰসাৰ আৰু বহনক্ষম জীৱিকা শক্তিশালী কৰাৰ বাবে প্ৰয়োজনীয় ব্যৱহাৰিক জ্ঞান প্ৰদান কৰা হয়।

০০০০০

অসম প্ৰাদেশীক মহিলা সমিতিৰ শতবৰ্ষ অনুষ্ঠান আজিৰেপৰা দুদিনীয়া কাৰ্যসূচীৰে শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ শ্ৰীশ্ৰীমাধৱদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত অনুষ্ঠিত হৈছে। পদ্মশ্ৰী সন্মানেৰে সন্মানিত চন্দ্ৰপ্ৰভা শইকীয়ানীয়ে ১৯২৬ চনতে প্ৰতিষ্ঠা কৰা সংস্থাটোৰ শতবৰ্ষ অনুষ্ঠানৰ মূল পতাকা আজি পুৱা উত্তোলন কৰা হয়। ইয়াৰ পাছতেই সমিতিৰ বিষয়ববীয়াৰ লগতে প্ৰতিখন জিলা সমিতিৰ সভাপতি-সম্পাদকে ১০০খন পতাকা উত্তোলন কৰে। ইয়াৰ পাছতে কেইবাগৰাকীয়ো বিশিষ্ট মহিলাক সম্বৰ্ধনা জনোৱা হয়। ইয়াৰ লগতে কনকসেন ডেকা, নিৰুপমা বৰগোঁহাই, মৃণালিনী দেৱী, ডাঃ অলকা গোস্বামী আৰু অনুপমা দেৱীৰ বাসগৃহলৈ গৈ সম্বৰ্ধনা জনোৱা হয়। আজি সন্ধিয়া সমিতিৰ উদ্যোগত স্থানীয় মহিলা শিল্পীয়ে দক্ষ যজ্ঞ নাট প্ৰদৰ্শনৰ ব্যৱস্থা কৰিছে।

০০০০০

আইচিচি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত আজি শ্ৰীলংকাৰ পাল্লেকেলে আন্তঃৰাষ্ট্ৰীয় ষ্টেডিয়ামত খন্তেক পাছতে হ'বলগীয়া ছুপাৰ এইট পৰ্যায়ৰ এখন গুৰুত্বপূৰ্ণ খেলত পাকিস্তান আৰু শ্ৰীলংকা মুখামুখি হ'ব। খেলখনত টছত জিকি শ্ৰীলংকাই প্ৰথমে ফিল্ডিঙৰ সিদ্ধান্ত লয়।

ভাৰত কাইলৈ কলকাতাৰ ইডেন গাৰ্ডেনছত হ'বলগীয়া ছুপাৰ এইট পৰ্যায়ৰ নিজৰ অন্তিমখন খেলত ৱেষ্ট ইণ্ডিজৰ বিৰুদ্ধে অৱতীৰ্ণ  হ'ব।

০০০০০

সমাপ্ত